**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 11-04-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

## HEADLINES

**::::::::::::::::::**

১। বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে গোলকীয় ব্যৱস্থা এটা গভীৰ পৰিৱৰ্তনৰ মাজেৰে চলি আছে আৰু ভাৰত-মহাসাগৰীয় ৰাষ্ট্ৰসমূহে অনাগত কঠিন সময়ৰ বাবে প্ৰস্তুত হৈ থকা উচিত।

২। গোলকীয় প্ৰত্যাহ্বান স্বত্বেও ভাৰতৰ সামুদ্ৰিক খণ্ড অধিক নিৰ্ভৰযোগ্য আৰু কাৰ্যক্ষম হৈ আছে বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে।

৩। দেশে আজি সমাজ সংস্কাৰক মহাত্মা জ্যোতিবা ফুলেৰ জন্মবাৰ্ষিকীত তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাইছে।

৪। অসমৰ শ্ৰীভূমি জিলাৰ কৰিমগঞ্জ উত্তৰ বিধানসভা সমষ্টিৰ বেবিলেন হাই ইংলিছ স্কুল ভোটকেন্দ্ৰত আজি পুনৰ ভোটগ্ৰহণ কৰা হৈছে। ***আৰু***

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা গুৱাহাটীত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৬ উইকেটত পৰাস্ত কৰে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে কয়, যে গোলকীয় ব্যৱস্থা এটা গভীৰ পৰিৱৰ্তনৰ মাজেৰে চলি আছে আৰু ভাৰত-মহাসাগৰীয় ৰাষ্ট্ৰসমূহে অনাগত কঠিন সময়ৰ বাবে প্ৰস্তুত হৈ থকা উচিত। মৰিছাচত নৱম ভাৰত মহাসাগৰ সন্মিলনত অংশগ্ৰহণ কৰি দিয়া ভাষণত ড০ জয়শংকৰে কয়, যে সমগ্ৰ বিশ্ব পূৰ্বতকৈ অধিক খণ্ডিত হৈ পৰিলেও ভাৰত মহাসাগৰীয় ৰাষ্ট্ৰসমূহে অধিক সংহত হৈ থাকিবলৈ প্ৰয়াস কৰা দৰকাৰ। ড০ জয়শংকৰে পশ্চিম এছিয়াৰ পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰি শীঘ্ৰেই এই খণ্ডলৈ স্বাভাৱিক পৰিস্থিতি ঘূৰাই অনাৰ বাবে আহ্বান জনায়। তেওঁ সাধাৰণ নাগৰিক, আন্তঃগাঁথনি আৰু বাণিজ্যিক জাহাজ পৰিবহণত লক্ষ্য কৰি লোৱাৰ বিষয়টোক দৃঢ়ভাৱে বিৰোধিতা কৰে। তেওঁ পৰিবহণ ব্যৱস্থা নিৰাপদ আৰু বাধাহীনভাৱে চলি থকাটো অতি প্ৰয়োজনীয় বুলি উল্লেখ কৰে। ড০ জয়শংকৰে ভাৰত মহাসাগৰীয় ৰাষ্ট্ৰসমূহক সামূহিক স্থিতিস্থাপকতাৰ বাবে আহ্বান জনায়।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰে তেওঁৰ মৰিছাচ ভ্ৰমণকালত দেশখনৰ প্ৰধানমন্ত্ৰী নবীন ৰামগুলামক ৯০ খন বৈদ্যুতিক বাছ প্ৰদান কৰে। ইয়াৰ জৰিয়তে সেউজ অংশীদাৰিত্ব পদক্ষেপৰ দ্বাৰা বহনক্ষম পৰিবহণ আৰু দ্বিপাক্ষিক সহযোগিতা সুদৃঢ় কৰাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড০ জয়শংকৰে কয়, যে এই বাছসমূহে পৰিৱেশ অনুকূল গতিশীলতাক চিহ্নিত কৰাৰ লগতে দুয়োখন দেশৰ মাজৰ বৰ্ধিত সেউজ অংশীদাৰিত্বক প্ৰতিফলিত কৰে। উল্লেখযোগ্য ড০ জয়শংকৰৰ এই ভ্ৰমণ আন্তঃগাঁথনিমূলক সম্পৰ্ক শক্তিশালী কৰাৰ উপৰি স্বাস্থ্য সহযোগিতাৰ ক্ষেত্ৰতো গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হৈছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে ভাৰতৰ দীৰ্ঘদিনীয়া উন্নয়ন অংশীদাৰিত্বৰ

অংশ হিচাপে প'ৰ্ট লুইৰ জৱাহৰলাল নেহৰু হাস্পতালত মৰিছাচৰ প্ৰথমটো বৃক্ক সংৰোপণ গোট মুকলি কৰে। তেওঁ ৰোগী আৰু তেওঁলোকৰ পৰিয়ালৰ বাবে এয়া এটা যুগান্তকাৰী ক্ষণ বুলি প্ৰকাশ কৰি এই অগ্ৰগতিক চিকিৎসা আৰু মানৱীয় সাফল্য বুলি উল্লেখ কৰে।

ooooo

গোলকীয় প্ৰত্যাহ্বান স্বত্বেও ভাৰতৰ সামুদ্ৰিক খণ্ড অধিক নিৰ্ভৰযোগ্য আৰু কাৰ্যক্ষম হৈ আছে বুলি কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে প্ৰকাশ কৰিছে। শ্ৰীসোণোৱালে কয়, যে যিকোনো প্ৰকাৰে বাণিজ্য সুৰক্ষাৰ বাবে চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ আৰু যোগান শৃংখলাত যাতে ভূ-ৰাজনৈতিক পৰিস্থিতিৰ প্ৰভাৱ নপৰে সেয়াও চৰকাৰে নিশ্চিত কৰিছে। এখন উচ্চপৰ্যায়ৰ পৰ্যালোচনা বৈঠকত অধ্যক্ষতা কৰি শ্ৰীসোণোৱালে উল্লেখ কৰে যে সময়মতে হস্তক্ষেপ আৰু নিৰন্তৰ নিৰীক্ষণৰ জৰিয়তে পশ্চিম এছিয়াৰ সংঘৰ্ষৰ মাজতো গুৰুত্বপূৰ্ণ বন্দৰসমূহৰ পৰা প্ৰায় ৯০ শতাংশ কাৰ্গো জাহাজৰ পৰিবহণ নিশ্চিত কৰা হৈছে।

ooooo

উত্তৰাখণ্ড আৰক্ষীৰ বিশেষ কাৰ্যবাহিনীয়ে পাকিস্তান সমৰ্থিত সন্ত্ৰাসবাদীৰ হৈ অবৈধ কাৰ্যকলাপত জড়িত এজন লোকক গ্ৰেপ্তাৰ কৰিছে। কাৰ্যবাহিনীৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক অজয় সিঙে জনোৱা অনুসৰি, ডেৰাডুনৰ সামৰিক প্ৰতিষ্ঠানসমূহৰ অৱস্থান আৰু ফটো পাকিস্তানী সন্ত্ৰাসবাদীক প্ৰেৰণৰ অভিযোগত বিক্ৰান্ত কাশ্যপ নামৰ ২৯ বছৰীয়া যুৱকজনক গ্ৰেপ্তাৰ কৰাৰ হৈছে। যুৱকজনক উত্তৰাখণ্ডৰ প্ৰেম নগৰ অঞ্চলৰ পৰা গ্ৰেপ্তাৰ কৰা হৈছে বুলি আৰক্ষীয়ে প্ৰকাশ কৰে।

ooooo

বাংলাদেশৰ নিৰ্বাচন আয়োগে প্ৰকাশ কৰা অনুসৰি অহা ১২ মে'ত দেশখনৰ জাতীয় সংসদত মহিলাৰ বাবে সংৰক্ষিত আসনসমূহৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। সেই অনুসৰি নিৰ্বাচন আয়োগৰ আগৰগাঁৱত থকা কাৰ্যালয়ত যোৱা বুধবাৰে, জ্যেষ্ঠ সচিব আখ্‌টাৰ আহমেদে নিৰ্বাচনৰ সূচী প্ৰকাশ কৰে। সূচীমতে, অহা ২৯ এপ্ৰিত মনোনয়ন পত্ৰসমূহ জমা দিয়া, ২২ আৰু ২৩ এপ্ৰিলৰ মনোনয়ন পত্ৰসমূহ পৰীক্ষণ কৰা হ'ব।

ooooo

দেশে আজি সমাজ সংস্কাৰক মহাত্মা জ্যোতিবা ফুলেৰ জন্মবাৰ্ষিকীত তেওঁৰ প্ৰতি শ্ৰদ্ধা জনাইছে। ১৮২৭ চনৰ এই দিনটোতে জন্মগ্ৰহণ কৰা মহাত্মা ফুলেই তেওঁৰ পত্নী সাবিত্ৰী ফুলেৰ সৈতে মহিলাৰ শিক্ষা আৰু সৱলীকৰণৰ হকে কাম কৰাৰ উপৰি জাতিগত বিভেদ দূৰ কৰাৰ বাবে যুঁজ দিছিল। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণ, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, লোকসভাৰ অধ্যক্ষ ওম বিৰলাকে ধৰি অন্যান্য সাংসদ তথা প্ৰতিনিধিসকলে সংসদভৱন প্ৰাংগণৰ প্ৰেৰণাস্থলত জ্যোতিবা ফুলেৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণ কৰিব। মহাত্মা ফুলেৰ জন্মবাৰ্ষিকীৰ সৈতে সংগতি ৰাখি দেশৰ বিভিন্ন প্ৰান্তত আজি ভিন ভিন কাৰ্যসূচীৰে আয়োজন কৰা হৈছে।

ooooo

অসমৰ শ্ৰীভূমি জিলাৰ কৰিমগঞ্জ উত্তৰ বিধানসভা সমষ্টিৰ বেবিলেন হাই ইংলিছ স্কুল ভোটকেন্দ্ৰত আজি পুৱা ৭ বজাৰ পৰা পুনৰ ভোটগ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে যোৱা বৃহস্পতিবাৰে অনুষ্ঠিত ভোটগ্ৰহণ সন্দৰ্ভত লাভ কৰা প্ৰতিবেদন আৰু সামগ্ৰিক পৰিস্থিতি পৰ্যালোচনা কৰি নতুন দিল্লীৰ নিৰ্বাচন

আয়োগৰ সচিবালয়ে জনপ্ৰতিনিধিত্ব আইন ১৯৫১ৰ ৫৮ নম্বৰ ধাৰা অনুসৰি কেন্দ্ৰটোত হোৱা ভোটগ্ৰহণ বাতিল কৰিছিল। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি পুনৰ ভোটকেন্দ্ৰটোত ভোটগ্ৰহণ কৰা হৈছে।

০০০০০

বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লেৰে ২০২৫-২৬ বিত্তীয় বৰ্ষত প্ৰায় ৩ কোটি ৯৮ লাখ লোকে যাত্ৰা কৰিছে। ২০২৪-২৫ বিত্তীয় বৰ্ষৰ তুলনাত বন্দে ভাৰত ৰে'লেৰে যাত্ৰা কৰা যাত্ৰীৰ সংখ্যা প্ৰায় ৩৪ শতাংশ বৃদ্ধি হৈছে বুলি ৰে'ল মন্ত্ৰ্যালয়ে প্ৰকাশ কৰিছে। মন্ত্ৰ্যালয়ে এটা বিজ্ঞপ্তিত উল্লেখ কৰে যে বন্দে ভাৰত এক্সপ্ৰেছ ৰে'লৰ আৰম্ভণিৰে পৰা বৰ্তমানলৈকে এক লাখটা যাত্ৰাত ৯ কোটি এক লাখৰো অধিক যাত্ৰীক সেৱা আগবঢ়োৱা হৈছে। যাত্ৰীৰ এই বৰ্ধিত সংখ্যাই যাত্ৰীসকলৰ মাজত দ্ৰুতবেগী, আৰামদায় আৰু আধুনিক ৰে'ল যাত্ৰাৰ প্ৰতি আগ্ৰহকে প্ৰতিফলিত কৰে বুলি বিজ্ঞপ্তিটোত উল্লেখ কৰা হৈছে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা গুৱাহাটীৰ বৰ্ষাপাৰা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত ৰাজস্থান ৰয়েলছে, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৬ উইকেটত পৰাস্ত কৰি একেৰাহে চতুৰ্থখন খেলত বিজয় সাব্যস্ত কৰে। ২০২ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৰাজস্থান ৰয়েলছে ১৮ অভাৰত ৪টা উইকেট হেৰুৱাই সহজেই নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ ধ্ৰুৱ জুৰেলে সৰ্বাধিক ৮১ ৰান কৰে। অৱশ্যে বৈভৱ সূৰ্যবংশীয়ে ২৬টা বলত ৭৮ ৰানৰ সুন্দৰ ইনিংছেৰে দলটোক জয়ৰ দিশে লৈ যায়। বৈভৱক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। বেংগালুৰুৰ হৈ জছ্ হেজলউড আৰু ক্ৰুনাল পাণ্ডিয়াই দুটাকৈ উইকেট কৰে।

ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ২০১ ৰান সংগ্ৰহ কৰে। দলৰ অধিনায়ক ৰজত পাটিদাৰে সৰ্বাধিক ৬৩ আৰু বিৰাট কোহলিয়ে ৩২ ৰান কৰে। প্ৰতিযোগিতাত আজি বিয়লি চাৰে ৩ বজাত নিউ চণ্ডীগড়ৰ মুল্লানপুৰত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ পাঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। ইপিনে চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া আন এখন খেলত চেন্নাই চুপাৰ কিংছ আৰু ডেলহী কেপিটেলছ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০

সমাপ্ত